**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জলবায়ু পৰিৱৰ্তন সাম্প্ৰতিক সময়ত সৰ্ববৃহৎ সংকট বুলি অভিহিত কৰিছে।

২। ভাৰতীয় ৰিজাৰ্ভ বেংকে ৰেপ’ হাৰ ২৫ আধাৰ পইণ্ট হ্ৰাস কৰিছে।

৩। আমেৰিকাত চীনা সামগ্ৰীৰ ক্ষেত্ৰত আৰোপ কৰা ১০৪ শতাংশ প্ৰতিশুল্ক আজিৰেপৰা কাৰ্যকৰী হৈছে। ভাৰতৰ পৰা আমদানিকৃত সামগ্ৰীৰ ক্ষেত্ৰতো ২৬ শতাংশ প্ৰতিশুল্ক আজিৰপৰা কাৰ্যকৰী হৈছে।

৪। নেপালৰ কাঠমাণ্ডুত আজি BIMSTEC ৰ অন্তৰ্ভুক্ত সদস্য ৰাষ্ট্ৰসমূহৰ কৃষিমন্ত্ৰী পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হৈছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হবলগীয়া এখন খেলত গুজৰাট টাইটানছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জলবায়ু পৰিৱৰ্তন সাম্প্ৰতিক সময়ত সৰ্ববৃহৎ সংকট বুলি অভিহিত কৰিছে আৰু জৈন সম্প্ৰদায়ে শতিকা শতিকা ধৰি অনুসৰণ কৰি অহা বহনক্ষম জীৱনশৈলীয়ে ইয়াৰ সমাধান বুলি উল্লেখ কৰিছে। নতুন দিল্লীত আজি নৱকাৰ মহামন্ত্ৰ দিৱস উপলক্ষে আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে শতিকা শতিকা ধৰি জৈন সম্প্ৰদায়ে সৰলতা, সংযম আৰু বহন ক্ষমতাৰ আদৰ্শ পালন কৰি আহিছে। ভাৰতৰ প্ৰতি বিশ্বৰ আস্থা গভীৰ হোৱা বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে ভাৰতৰ প্ৰচেষ্টা আৰু সফলতা অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছে। তেওঁ কয়, যে গোলকীয় প্ৰতিষ্ঠানসমূহে নিজৰ লগতে আনৰো পথ মুকলি কৰা ভাৰতৰ প্ৰগতিৰ বাবেই দেশখনলৈ আশাৰে বাট চাইছে। বিষয়টোক জৈন আদৰ্শৰ ৰজিতা খুৱাই শ্ৰী মোদীয়ে কয়, যে পাৰস্পৰিক সহযোগিতাৰে জীৱন আগবাঢ়ে। তেওঁ কয়, যে এনেধৰণৰ দৃষ্টিভংগীৰ বাবেই ভাৰতৰ প্ৰতি বিশ্বৰ আকাংক্ষা বৃদ্ধি পাইছে আৰু দেশে নিজৰ প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিছে। শ্ৰী মোদীয়ে অধিক স্বদেশী সামগ্ৰী ক্ৰয় কৰিবলৈ আৰু আনকো এনে কৰিবলৈ উৎসাহ যোগাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। নৱকাৰ মহামন্ত্ৰৰ আদৰ্শ বিকশিত ভাৰতৰ দৃষ্টিভংগীৰ সৈতে জড়িত বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে জল সংৰক্ষণ, মাতৃৰ নামত এটি গছপুলি ৰোপণ, পৰিষ্কাৰ-পৰিচ্ছন্নতা, স্বদেশী সামগ্ৰীৰ ব্যৱহাৰ, ঘৰুৱা পৰ্যটন, জৈৱিক খেতি, সুস্থ জীৱনশৈলী, যোগাভ্যাস আৰু ক্ৰীড়া তথা দুখীয়া লোকক সহায়ৰ ৯টা সংকল্প ল’বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। ভাৰতীয় ইতিহাস আৰু আধ্যাত্মিক যাত্ৰাত জৈন ধৰ্মৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে জৈন সাহিত্যে ভাৰতৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ ভেটি স্বৰূপ। পালি আৰু প্ৰাকৃত ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক জলবায়ু পৰিৱৰ্তনৰ বিপৰ্যয়ৰ বিষয়ে সকিয়াই দিয়ে। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত কয়, যে নতুন ভাৰতে কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে সুযোগৰ অন্বেষণত ব্ৰতী হৈছে আৰু বিশ্বক আধ্যাত্মিকতা পথ প্ৰদৰ্শন কৰিছে। বিকশিত ভাৰত দৃষ্টিভংগী সম্পৰ্কে মত প্ৰকাশ কৰি শ্ৰী মোদীয়ে বিকশিত ভাৰতৰ অৰ্থ উন্নয়নৰ লগতে ঐতিহ্যৰ বিকাশ বুলি অভিহিত কৰে। বিদেশৰ পৰা ঘূৰাই অনা ২০ গৰাকীৰো অধিক তীৰ্থংকৰৰ মূৰ্তিৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে উন্নত ভাৰতে নিজৰ সংস্কৃতিৰো বিকাশ সাধন কৰিবলৈ লৈছে। শ্ৰী মোদীয়ে ভালেমান গুৰুত্বপূৰ্ণ সাহিত্য কৰ্মৰ ক্ষতি হোৱাক লৈ উদ্বেগ প্ৰকাশ কৰে আৰু এনে সমস্যাৰ জোৰা মৰাৰ বাবে চৰকাৰে শীঘ্ৰেই জ্ঞান ভাৰত অভিযান আৰম্ভ কৰিব বুলি উল্লেখ কৰে।

অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে ১০৮ খনৰো অধিক দেশৰ পৰা অহা জনসাধাৰণৰ সৈতে আধ্যাত্মিক প্ৰাৰ্থনা নৱকাৰ মহামন্ত্ৰ জপ কৰে।

000000000

ভাৰতীয় ৰিজাৰ্ভ বেংক RBI-এ ৰেপ’ হাৰ অৰ্থাৎ কেন্দ্ৰীয় বেংকটোৱে বাণিজ্যিক বেংকসমূহক প্ৰদান কৰা ঋণৰ সুদৰ হাৰ ২৫ আধাৰ পইণ্ট হ্ৰাস কৰিছে। RBI-এ বিগত ৫ বছৰত এইবেলি একেৰাহে দ্বিতীয় বাৰৰ বাবে ৰেপ’ হাৰ হ্ৰাস কৰিছে। আজি মুম্বাইত ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ সঞ্জয় মলহোট্ৰাই কয়, যে ছজনীয়া মুদ্ৰা নীতি কমিটীয়ে চলিত বিত্তীয় বৰ্ষৰ প্ৰথমখন বৈঠকত সৰ্ব সন্মতিক্ৰমে ৰেপ’ হাৰ কম কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কমিটীয়ে লগতে মুদ্ৰা নীতি সম্পৰ্কীয় দৃষ্টিভংগী নিৰপেক্ষৰ পৰা উদাৰলৈ সলনি কৰিছে। নতুন মুদ্ৰা নীতি অনুযায়ী Standing deposit facility অৰ্থাৎ বাণিজ্যিক বেংকসমূহক কোনোধৰণৰ অতিৰিক্ত বন্ধকী অবিহনে ৰাহি হোৱা ধনৰাশি জমা থোৱাৰ সুবিধাৰ হাৰ ৫ দশমিক ৭ - ৫ শতাংশ হৈছে। একেদৰে Marginal standing facility অৰ্থাৎ বেংকসমূহৰ বাবে ৰেপ’ হাৰতকৈ উচ্চ হাৰত ধাৰে লোৱা ধনৰ সুদৰ হাৰ আৰু বেংক ৰেট অৰ্থাৎ বাণিজ্যিক বেংকসমূহলৈ দিয়া ঋণৰ বাবদ লোৱা সুদৰ হাৰ ৬ দশমিক ২ - ৫ শতাংশ হৈছে। RBI-ৰ গৱৰ্নৰগৰাকীয়ে কয়, যে মুদ্ৰা নীতি কমিটীয়ে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে মুঠ ঘৰুৱা উৎপাদনৰ পূৰ্বানুমান পূৰ্বৰ ৬ দশমিক ৭ শতাংশৰ পৰা ৬ দশমিক ৫ শতাংশলৈ হ্ৰাস কৰিছে। তেওঁ কয়, যে ২০২৫-২৬ বৰ্ষত খুচুৰা মুদ্ৰাস্ফীতি ৪ শতাংশ হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ৭ এপ্ৰিলৰ পৰা আৰম্ভ হোৱা মুদ্ৰানীতি কমিটীৰ বৈঠকৰ আজি সামৰণি পৰে।

ooooooooo

আমেৰিকাত চীনা সামগ্ৰীৰ ক্ষেত্ৰত আৰোপ কৰা ১০৪ শতাংশ প্ৰতিশুল্ক আজিৰেপৰা কাৰ্যকৰী হৈছে। হোৱাইট হাউছ কৰ্তৃপক্ষই এটা প্ৰেছ বিজ্ঞপ্তিযোগে এই কথা ঘোষণা কৰিছে। ভাৰতৰ পৰা আমদানিকৃত সামগ্ৰীৰ ক্ষেত্ৰতো ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পৰ ২৬ শতাংশ শুল্ক আজিৰ পৰা কাৰ্যকৰী হৈছে। ট্ৰাম্পে তেওঁৰ লিবাৰেচন ডে অনুষ্ঠানত কৰা ঘোষণাৰ অংশ হিচাপে চলিত মাহৰ ৩ তাৰিখৰ পৰা প্ৰতিশুল্ক ঘোষণা কৰে। ভাৰতৰ উপৰি ভিয়েটনামৰ সামগ্ৰীৰ ক্ষেত্ৰত ৪৬ শতাংশ, টাইৱানৰ সামগ্ৰীৰ ওপৰত ৩২ শতাংশ, দক্ষিণ কোৰিয়াৰ সামগ্ৰীৰ ওপৰত ২৫ শতাংশ, জাপানৰ সামগ্ৰীৰ ক্ষেত্ৰত ২৪ শতাংশ আৰু ইউৰোপীয় সংঘৰ ওপৰত ২০ শতাংশ শুল্ক ঘোষণা কৰে।

ৰাষ্ট্ৰপতি ট্ৰাম্পৰ এই প্ৰতিশুল্ক চীনৰ অৰ্থনীতিৰ ক্ষেত্ৰত মোক্ষম আঘাত হ’ব পাৰে বুলি আশংকা কৰা হৈছে, যিয়ে বেইজিঙৰ বিকাশ ২ দশমিক ৪ শতাংশ পইণ্ট হ্ৰাস কৰিব পাৰে। বাৰ্ষিক ৫ শতাংশ বিকাশৰ লক্ষ্য নিৰ্ধাৰণ কৰা চীনৰ অৰ্থনীতি এই প্ৰতিশুল্ক নীতিৰ ফলত ক্ষতিগ্ৰস্ত হ’ব পাৰে বুলিও আশংকা কৰা হৈছে। আমেৰিকাৰ প্ৰতিশুল্ক নীতি সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে কয়, যে চৰকাৰে যোৱা ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ট্ৰাম্পৰ মাজত হোৱা আলোচনাৰ সিদ্ধান্তমৰ্মে দ্বিপাক্ষিক বাণিজ্য চুক্তিৰ ক্ষেত্ৰত কাম কৰি আছে। এই ক্ষেত্ৰত ভাৰতৰ আমেৰিকাৰ সৈতে যিসমূহ সিদ্ধান্ত লোৱা হৈছিল, সেই সকলোবোৰ সঠিক দিশেৰে পৰিচালিত হৈ আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

এসপ্তাহ পূৰ্বে আমেৰিকাৰ সচিব মাৰ্ক’ ৰুবিয়’ই বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰৰ সৈতে শুল্ক পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। আমেৰিকাৰ বিষয়াসকলৰ মতে দুয়োখন দেশে ন্যায্য আৰু নিয়ন্ত্ৰিত বাণিজ্য আগবঢ়াই নিবলৈ দৃঢ় প্ৰতিজ্ঞ।

ooooooooo

নেপালৰ কাঠমাণ্ডুত আজি BIMSTEC ৰ অন্তৰ্ভুক্ত সদস্য ৰাষ্ট্ৰসমূহৰ কৃষিমন্ত্ৰী পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু ভূটানৰ কৃষিমন্ত্ৰী লিয়নপো য়ণ্ডনটেন ফুণ্টচ’ৱে এই বৈঠকত অংশগ্ৰহণৰ বাবে কালি সন্ধিয়া কাঠমাণ্ডুলৈ ৰাওনা হৈছে।

আজিৰ এই মন্ত্ৰী পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি সন্দৰ্ভত ইয়াৰ পূৰ্বে কাঠমাণ্ডুত সচিব পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হৈছিল। আজিৰ বৈঠকত BIMSTEC ৰ সদস্যভুক্ত ৭ খন ৰাষ্ট্ৰৰ তিনিখনৰ কৃষিমন্ত্ৰীসকলে সোঁশৰীৰে ভাগ লোৱাৰ লগতে অন্যান্য ৰাষ্ট্ৰৰ কৃষিমন্ত্ৰীসকলে ভাৰ্চুৱেল মাধ্যমেৰে অংশগ্ৰহণ কৰিছে। নেপালৰ কৃষি আৰু পশুধন মন্ত্ৰী ৰামনাথ অধিকাৰীয়ে এই বৈঠকত অধ্যক্ষতা কৰিছে। বৈঠকত কৃষিৰ মহত্ব আৰু প্ৰত্যাহ্বান তথা সদস্য ৰাষ্ট্ৰসমূহৰ মাজত সহযোগিতা সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে।

ooooooooo

ভাৰতে বিদেশী বেংকৰ বিকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে চৰকাৰে বেংকিং ক্ষেত্ৰত বৈদেশিক বিনিয়োগৰ বাবে উৎসাহ যোগাই আহিছে। লণ্ডনত অনুষ্ঠিত ভাৰত-ব্ৰিটেইন বিনিয়োগকাৰীৰ ঘূৰণীয়া মেজমেলত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই কথা প্ৰকাশ কৰে। শ্ৰীমতী সীতাৰমনে বহনক্ষম অৰ্থনৈতিক বিকাশ আৰু বিনিয়োগৰ বাবে চৰকাৰে অগ্ৰাধিকাৰ দি অহাৰ কথাও উল্লেখ কৰে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ২০৩২ বৰ্ষত ভাৰত ষষ্ঠ বৃহৎ বীমা বজাৰ হোৱাৰ লক্ষ্যৰে সাজু হৈছে বুলি উল্লেখ কৰে।

000000000

———আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ্বলগীয়া এখন খেলত গুজৰাট টাইটানছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, যোৱা নিশা চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে চেন্নাই ছুপাৰ কিংছক ১৮ ৰাণত পৰাস্ত কৰে। পাঞ্জাব কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২১৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২০১ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

একেদৰে ইডেন গাৰ্ডেনছত অনুষ্ঠিত কালিৰ আন এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে কলকাতা নাইট ৰাইডাৰ্ছক ৪ ৰাণত পৰাস্ত কৰে। কলকাতাই ২৩৯ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৩৪ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে লক্ষ্ণৌৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৩ উইকেটৰ বিনিময়ত ২৩৮ ৰাণ সংগ্ৰহ কৰে।

000000000

সমাপ্ত